# কাৰ্যবাহী সাৰাংশ

ক. অসমত প্ৰস্তাৱিত জলবায়ু প্ৰতিৰোধী ব্ৰহ্মপুত্ৰ সংহত বান আৰু গৰাখহনীয়া বিপদ ব্যৱস্থাপনা প্ৰকল্প (চি আৰ বি আই এফ আৰ ই আৰ এম পি)ৰ লক্ষ্য হৈছে বানপ্ৰৱণ অঞ্চলত বান আৰু গৰাখহনীয়া বিপদ ব্যৱস্থাপনা (এফ আৰ ই আৰ এম)ৰ নিৰ্ভৰযোগ্যতা আৰু কাৰ্যকাৰিতা বৃদ্ধি কৰা।[১] সংহত বান আৰু গৰাখহনীয়া বিপদ ব্যৱস্থাপনা বিনিয়োগ কাৰ্যসূচী, অসম (এ আইএফ আৰ ই আৰ এম আই পি)ৰ ওপৰত ভিত্তি কৰি এই প্ৰকল্পই অসমৰ পাঁচখন নিৰ্বাচিত জিলাত ব্ৰহ্মপুত্ৰ নদীৰ কাষৰ গৰাখহনীয়া আৰু ইয়াৰ লগত জড়িত বান সমস্যা সমাধানৰ বাবে জলবায়ু-প্ৰতিৰোধী, সামগ্ৰিক, সংহত, পদ্ধতিগত আৰু প্ৰসাৰ-ভিত্তিক পন্থা গ্ৰহণ কৰিব।

খ. ইতিমধ্যে সঘনাই বান আৰু ব্ৰহ্মপুত্ৰ নদীৰ ধাৰাবাহিক গৰাখহনীয়াৰ সৈতে যুঁজি থকা অসমত জলবায়ুৰ প্ৰভাৱে বান তথা গৰাখহনীয়া সমস্যাক অধিক ভয়াবহ কৰি তোলাৰ সম্ভাৱনাও প্ৰকট হৈ পৰিছে।[২] প্ৰাকৃতিক বিপদ আৰু ভৌগোলিক দূৰত্বৰ ফলত ৰাষ্ট্ৰীয় গড় উন্নয়নৰ তুলনাত ৰাজ্যখনৰ দীৰ্ঘম্যাদী উন্নয়নৰ গতি লেহেমীয়া কৰাৰ দৰে প্ৰত্যাহ্বানসমূহে ৰাজ্যখনৰ উন্নয়নত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে। একেধৰণে, জনসংখ্যা বৃদ্ধি আৰু ঘনত্বৰ বাবেও অসম অধিক দৰিদ্ৰতাৰ সন্মুখীন হ'বলগীয়া হৈছে আৰু ইয়াৰপৰিণতিস্বৰূপে ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশ স্থবিৰ হৈ পৰিছে।

গ. এ আই এফ আৰ ই আৰ এম আই পিৰ কৃতিত্বসমূহ অব্যাহত কৰি ৰাখিবলৈ সম্প্ৰসাৰণ কৰিবলৈ প্ৰকল্পটোৱে তিনিটা মূল ক্ষেত্ৰত মনোনিৱেশ কৰিব: (১) জলবায়ু আৰু দুৰ্যোগ প্ৰতিৰোধ পদ্ধতিক লাভান্বিত কৰাৰ বাবে এক ব্যাপক সংহত বিপদ-বিদিত পদ্ধতি ৰূপায়ণ আৰু প্ৰদৰ্শন কৰা; (২) জ্ঞানৰ আদান-প্ৰদান কৰা আৰু সামগ্ৰিক প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা, সম্পত্তি ব্যৱস্থাপনা তথা সহ-লাভৰ অনুকূলতাৰ বাবে উন্নত প্ৰযুক্তি আৰু পদ্ধতি গ্ৰহণ কৰা; (৩)মহিলাসকলৰ জলবায়ু আৰু দুৰ্যোগ প্ৰতিৰোধৰ ক্ষেত্ৰত সবলীকৰণ বৃদ্ধি কৰা। তদুপৰি, এই প্ৰকল্পই অসমৰ ব্ৰহ্মপুত্ৰ নদী প্ৰণালীৰ নিৰ্বাচিত উপনৈসমূহৰ জলসম্পদ ব্যৱস্থাপনা সংহতকৰণ বৃদ্ধিৰ লক্ষ্যৰে বিশ্ব বেংকে মূলধন বিনিয়োগ কৰা প্ৰকল্পৰ পৰা লাভ আৰু সহযোগিতা এই প্ৰকল্পই কৰিব।[৩]

ঘ. প্ৰকল্পটো তলত উল্লেখ কৰা প্ৰভাৱসমূহৰ সৈতে অনবদ্ধ: অসমক দুৰ্যোগ প্ৰতিৰোধী ৰাজ্য হিচাপে গঢ়ি তোলা (পাৰ্যমানে আৰু সৰ্বাংগীন দুৰ্যোগৰ আশংকা হ্ৰাস কৰা; জীৱন আৰু জীৱিকাৰ ক্ষতি হ্ৰাস কৰা; ধন আৰু সম্পত্তিৰ সুৰক্ষা বৃদ্ধি কৰা; আৰু দুৰ্যোগৰ সৈতে মোকাবিলা কৰাৰ ক্ষমতা বৃদ্ধি কৰা)।[৪] এই প্ৰকল্পৰ বিশিষ্ট ফলাফল হৈছে ব্ৰহ্মপুত্ৰ নদীৰ জলবায়ু প্ৰতিৰোধী বান আৰু নদীৰ গৰাখহনীয়া প্ৰশমন ব্যৱস্থাৰ উন্নতি।

ঙ. এই প্ৰকল্পটোৱে বান আৰু গৰাখহনীয়াৰ প্ৰৱণতা থকা চাৰিটা উচ্চ অগ্ৰাধিকাৰসম্পন্ন অঞ্চলত গাঁথনিগত আৰু অ-গাঁথনিগত ব্যৱস্থাসমূহ একত্ৰিত কৰি নদীখনৰ ব্যাপক স্থিতিশীলতাত অৰিহণা যোগাব। গৰাখহনীয়াৰ অধিক আশংকা কৰা আৰু ভাবুকিৰ সন্মুখীন হোৱা মূল্যৱান সম্পদৰ উপস্থিতি থকা বুলি চিনাক্ত কৰা এই উচ্চ-অগ্ৰাধিকাৰসম্পন্ন উপ-প্ৰকল্প চাৰিটা হ'ল- ডিব্ৰুগড় (ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা), মৰিগাঁও, পলাশবাৰী-গুমি/পশ্চিম গুৱাহাটী (কামৰূপ গ্ৰাম্য জিলা) বা পিজিপি আৰু গোৱালপাৰা। চি আৰ বি আই এফ আৰ ই আৰ এম পি প্ৰকল্পৰ লক্ষ্য হৈছে তলত দিয়া ফলাফলসমূহ প্ৰদান কৰা:
(১) ফলাফল ১: নিৰ্দিষ্ট উপ-প্ৰকল্প এলেকাসমূহত জলবায়ু-প্ৰতিৰোধী বান আৰু গৰাখহনীয়াৰ আশংকা প্ৰশমন ব্যৱস্থা ৰূপায়ণ আৰু ৰক্ষণাবেক্ষণ।
(২) ফলাফল ২: জ্ঞানভিত্তিক এফ আৰ ই আৰ এম পৰিকল্পনা শক্তিশালীকৰণ
(৩) ফলাফল ৩: দুৰ্বল শ্ৰেণীৰলোকৰ জীৱিকা আৰু প্ৰতিৰোধ ক্ষমতা উন্নীতকৰণ।

চ. অ-গাঁথনিগত ব্যৱস্থাত মথাউৰিৰ ঢালত প্ৰয়োগৰ বাবে প্ৰকৃতিভিত্তিক সমাধান (এন বি এছ)ৰ নিদৰ্শক পৰীক্ষা কৰা হ'ব, যেনে নল বা ইকৰা ৰোপণৰ দৰে জৈৱ অভিযান্ত্ৰিক কৌশল প্ৰয়োগ, যিয়ে বৰষুণৰ ফলত হোৱা খহনীয়াৰ আশংকাৰ পৰা ৰক্ষণাবেক্ষণৰ প্ৰয়োজনীয়তা হ্ৰাস কৰিব পাৰে আৰু স্থানীয় অংশীদাৰসকলৰ বাবে আয়ৰ সুযোগ সৃষ্টি কৰিব পাৰে। অসম কৃষি বন উন্নয়ন ব'ৰ্ড (এ এ ডি বি)ৰ জৰিয়তে এটা দায়বদ্ধ প্ৰকল্প ৰূপায়ণ গোট (পি আই ইউ) স্থাপন কৰা হ'ব, যিয়ে প্ৰকৃতিভিত্তিক সমাধান ৰূপায়ণৰ দায়িত্ব ল'ব।

ছ. এই প্ৰস্তাৱিত গোৱালপাৰা উপ-প্ৰকল্পৰ প্ৰাৰম্ভিক পৰিৱেশ পৰীক্ষা (আই ই ই)টোৱে মূলতঃ গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ কাষত চলি থকা বান সুৰক্ষাৰ কাম অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উপ-প্ৰকল্পটোৱে চাৰিটা মূল উপাদান সামৰি লৈছে: (১) গোৱালপাৰা চহৰৰ সুৰক্ষা বান্ধৰ শেষ অংশৰ পৰা কাৰবালা অঞ্চলৰ ওচৰৰ হুৰকাকুচিলৈকে ২.০৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন মথাউৰি নিৰ্মাণ কৰা। (২) তিনিটা সুকীয়া স্থানতজিঅ'বেগ ব্যৱহাৰ কৰিমুঠ ১১.৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰনদীবান্ধ আৰু এপ্ৰ'ন নিৰ্মাণৰ কাম ৰূপায়ণ কৰা (বলদমাৰী চৰৰ পৰা পাহাৰতলী অঞ্চললৈ ২.৩৫ কিলোমিটাৰ, গোৱালপাৰা চহৰৰ সুৰক্ষা বান্ধৰ পৰা নতুন বস্তিলৈ ৩ কিলোমিটাৰ আৰু সোণাৰিৰ

পৰা জলেশ্বৰ অঞ্চললৈ ৬ কিলোমিটাৰ)। (৩) ০.২৫ কিলোমিটাৰ দূৰত্ব সামৰি অভিযোজনৰ কাম আৰু জৰুৰীকালীন ব্যৱস্থাসমূহ সম্পন্ন কৰা। (৪) ৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ প্ৰি-ষ্ট্ৰেছড কংক্ৰিটৰ তিনিটা তৰপেৰে গঠিত ৬টা পৰ্কুপাইন স্থাপন কৰা।

জ. ভাৰত চৰকাৰৰ (জি অ' আই) পৰিৱেশ প্ৰভাৱ মূল্যায়ন (ই আই এ) অধিসূচনা, ২০০৬ অনুসৰি এই উপ-প্ৰকল্পৰ বাবে বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (এম অ' ই এফ এণ্ড চি চি) বা ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কৰ্তৃপক্ষ (এছ ই আই এ এ)ৰ পৰা আগতীয়া পৰিৱেশ সম্পৰ্কীয়অনুমতি (ই চি)ৰ প্ৰয়োজন নাই। কিন্তু নতুন শিলৰ কুৱেৰী (বালি আৰু খনিজ পদাৰ্থৰ বাবে) মুকলি কৰিলে উপ-প্ৰকল্পটোৱে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড অসম (পি চি বি এ)ৰ পৰা প্ৰয়োজনীয় অনুমতিৰ লগতে আগতীয়া ই চি আৰু বিভিন্ন চৰকাৰী অনুমতি লাভ কৰিব লাগিব। এছ পি এছ, ২০০৯ অনুসৰিএ ডি বি দ্ৰুত পৰিৱেশ মূল্যায়ন (আৰ ই এ) পৰীক্ষণ তালিকা ব্যৱহাৰ কৰি প্ৰকল্পটোৰ শ্ৰেণীবিভাজন কৰা হৈছিল। এই পৰীক্ষণ তালিকাৰ জৰিয়তে চি আৰ বি আই এফ আৰ ই আৰ এম পিৰ পৰিৱেশগত শ্ৰেণীবিভাজন ইয়াৰ পৰিৱেশৰ প্ৰতি সংবেদনশীল উপাদানৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছিল যিয়ে প্ৰভাৱৰ ক্ষেত্ৰত প্ৰত্যক্ষ, পৰোক্ষ, ক্ৰমবৰ্ধমান আৰু প্ৰৰোচিত প্ৰভাৱসমূহ অন্তৰ্ভুক্ত কৰোযথাযথ কাৰ্য্যক্ৰমণিকা আৰু এছ পি এছ, ২০০৯ত উল্লেখ কৰা পৰিৱেশগত প্ৰয়োজনীয়তাসমূহ মানি চলিনিৰ্মাণৰ পূৰ্বে, নিৰ্মাণ আৰু পৰিচালনাৰ পৰ্যায়ত সম্ভাব্য নেতিবাচক প্ৰভাৱ চিনাক্তকৰণ কৰা হৈছিল।এই আই ই ইত নথিভুক্ত কৰা তথ্যসমূহৰ লগতে উপাদান, স্থান, পৰিসৰ, সংবেদনশীলতা তথা সম্ভাব্য পৰিৱেশ সম্পৰ্কীয় প্ৰভাৱৰ পৰিমাণৰ ওপৰত ভিত্তি কৰিগোৱালপাৰা উপ-প্ৰকল্পটোৰ মূল্যায়ন কৰা হৈছে।

ঝ. অসমৰ বান আৰু নদী গৰাখহনীয়া ব্যৱস্থাপনা অভিকৰণ (ফ্ৰেমা) আৰু জলসম্পদ বিভাগে (ডব্লিউ আৰ ডি) উপলব্ধ কৰা বিশদ প্ৰকল্প প্ৰতিবেদন (ডি পি আৰ) আৰু এল ই এ এছ'চিয়েটছ চাউথ এছিয়ান প্ৰাইভেট লিমিটেডে (লাছা) প্ৰদান কৰা তথ্যৰ ভিত্তিত গোৱালপাৰা উপ-প্ৰকল্পৰ বাবে পৰিৱেশ মূল্যায়ন কৰা হৈছে। তথ্য সংগ্ৰহৰ বাবে ফ্ৰেমাই নিযুক্তি প্ৰদান কৰিছে লাছাক, আৰু এই তথ্যৰ পৰিসৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছে (১) বায়ু, পানী, শব্দ আৰু মাটিৰ বাবে পাৰিপাৰ্শ্বিক গুণাগুণ নিৰীক্ষণ; (২) বন্যপ্ৰাণী আৰু বাসস্থানৰ জৰীপ; (৩) ভূমি ব্যৱহাৰৰ বাবে ভৌগোলিক তথ্য ব্যৱস্থা (জি আই এছ) মানচিত্ৰকৰণকে ধৰি ভৌতিক আৰু আৰ্থ-সামাজিক তথ্য; (৪) পৰিৱেশসম্পৰ্কীয় বিপদাশংকা চিনাক্তকৰণ আৰু বিশ্লেষণ; আৰু (৫) ৰাজহুৱা আলোচনা। উপ-প্ৰকল্পটোৰ পৰিৱেশ মূল্যায়নৰ ভিত্তিত (অৰ্থাৎ বিপদাশঙ্কা মূল্যায়ন পদ্ধতি) সম্ভাব্য পাৰিপাৰ্শ্বিক প্ৰভাৱ সংকটাপন্ন নহয় বুলি ঠাৱৰ কৰা হৈছে। এই প্ৰভাৱসমূহ প্ৰকল্প-স্থানবিশিষ্টআৰু ইয়াৰে মাত্ৰ কিছুসংখ্যকহেঅপ্ৰত্যাৱৰ্তনীয়। বেছিভাগ ক্ষেত্ৰতে প্ৰশমন ব্যৱস্থাৰ ৰূপাঙ্কন কৰা হয়, যিবোৰ সাধাৰণতে নিৰ্মাণস্থলীত কাম কৰা সাধাৰণ আৰু অসামৰিক ঠিকাদাৰসকলৰ বাবে সুপৰিচিত।

ঞ. কোনো বিশেষ প্ৰভাৱৰ সম্ভাৱনা নথকাৰ বাবে গোৱালপাৰা জিলাত অৱস্থিত এই উপ-প্ৰকল্পটো এছ পি এছ, ২০০৯ অনুসৰি **পৰিৱেশ খ শ্ৰেণী** হিচাপে শ্ৰেণীভূক্ত কৰা হৈছে। সেই অনুসৰি এই আই ই ইয়ে পৰিৱেশ সম্পৰ্কীয় প্ৰভাৱৰ মূল্যায়ন কৰে আৰু প্ৰকল্পটোৰ ফলত যাতে চৌপাশে কোনো উল্লেখযোগ্য প্ৰভাৱ নপৰে তাৰ বাবে প্ৰশমন তথা নিৰীক্ষণ উপলব্ধ কৰে।

ট. প্ৰকল্পৰ হস্তক্ষেপ এলেকাৰ পৰা ১০ কিলোমিটাৰৰ ভিতৰত কোনো অধিসূচিত সংৰক্ষিত অঞ্চল নাই। ২ টা কে বি এ (তামৰঙা - দলনী - ভৈৰৱ কমপ্লেক্স আৰু উৰপদ বিল) ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অৱস্থিত। ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ আশে-পাশে থকা অন্যান্য অঞ্চলত পোৱা শিহু আৰু অন্যান্য বিলুপ্তপ্ৰায় প্ৰজাতি কেৱল প্ৰকল্পৰ স্থানতে সীমাবদ্ধ নহয়। লাছাই প্ৰস্তুত কৰা জৈৱ বৈচিত্ৰ্যৰ প্ৰতিবেদনৰ ভিত্তিত গংগা নদীৰ শিহু (প্লাটানিষ্টা গেংগেটিকা)ক নদীৰ পাৰৰ ১০০ মিটাৰৰ পৰা ১ কিলোমিটাৰ দূৰত্বৰ ভিতৰত, মূলতঃ ব্ৰহ্মপুত্ৰ নদীৰ মূল সুঁতিত থকা বুলি তথ্যলাভ কৰা হৈছে।

ঠ. সকলো উপ-প্ৰকল্পৰ ক্ষেত্ৰত জটিল বাসস্থান মূল্যায়নৰ বাবে বিশ্লেষণৰ ক্ষেত্ৰফল (অৰ্থাৎ ১ কিলোমিটাৰ) লোৱা হৈছে। সংৰক্ষিত অঞ্চল আৰু আই বি এৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় বিত্ত নিগমৰ (আই এফ চি) কৰ্মক্ষমতা মানদণ্ড ৬ থ্ৰেছহ'ল্ড অনুসৰি গংগা নদীৰ শিহু (আই ইউ চি এন বিপন্ন প্ৰজাতি)ৰ উপস্থিতিয়ে জটিল বাসস্থানৰ সূচনা কৰিব পাৰে বুলি নিৰ্ণয় কৰা হৈছে। প্ৰাথমিক জৰীপসমূহ গ্ৰীষ্মকালীন সময়ছোৱাত (২০২৩ৰ মাৰ্চ–এপ্ৰিল মাহত) কৰা হৈছিল, আৰু উপ-প্ৰকল্প অঞ্চলসমূহত কোনো গংগা নদীৰ শিহুলক্ষ্য কৰা হোৱা নাছিল। এই প্ৰজাতিৰ উপস্থিতি আনুষংগিক তথ্যৰ উৎসৰ জৰিয়তে (অৰ্থাৎ স্থানীয় লোক আৰু মাছমৰীয়াৰ সৈতে আলোচনা কৰি) লক্ষ্য কৰা হৈছিল। উপলব্ধ আনুষংগিক তথ্যই উপ-প্ৰকল্প এলেকাত বিশ্বৰ মুঠ শিহুৰ সংখ্যাৰ $\geq$ ০.৫% আৰু $\geq$ ৫টা প্ৰজনন এককৰ উপস্থিতি নিৰ্ণায়কভাৱে নিশ্চিত নকৰে (জটিল বাসস্থানৰ বাবে মাপকাঠী ১ক আৰু ১গ, আই এফ চি)। এই প্ৰকল্পটো অতি পৰিৱৰ্তনশীল অঞ্চলত অৱস্থিত, য'ত নদীৰ পাৰৰ আশে-পাশে মাছ ধৰা, কৃষি, চাহ বাগিচা আৰু বসতিস্থলৰ দৰে মানৱসৃষ্ট কাৰ্য্যকলাপ পৰিলক্ষিত হয়। নাৱেৰে সামগ্ৰী পৰিবহণৰ সময়ত গংগা নদীৰ শিহুৰ ওপৰত প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। কিন্তু উল্লেখযোগ্য যে, নিৰ্মাণকাৰ্য্য খৰালিকালত কৰা হ'ব, কিয়নো এই সময়ছোৱাত শিহুৱে সাধাৰণতে নদীৰ পাৰৰ পাৰৰ তৰাং পানীৰ পৰা আঁতৰি গৈ গভীৰ পানীত প্ৰৱেশ কৰে। আনহাতে, স্থানীয় মাছ ধৰা কাৰ্য্যকলাপৰ বাবে উপ-প্ৰকল্প এলেকাসমূহক জটিল বাসস্থান হিচাপে গণ্য কৰা হয় যিবোৰৰ চাৰিও ফালৰ সম্প্ৰদায়সমূহৰ বাবে উল্লেখযোগ্য সামাজিক, অৰ্থনৈতিক বা সাংস্কৃতিক গুৰুত্ব আছে। ডিব্ৰুগড় উপ-প্ৰকল্পটোৱে ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ওচৰত থকাৰ বাবেও সম্ভাব্য জটিল বাসস্থানৰ সূচনা কৰে।এ ডি বিৰ এছ পি এছ, ২০০৯ৰ পিছত এই প্ৰকল্পটোৱে জটিল বাসস্থান এলেকাত জৈৱ-বৈচিত্ৰ্যৰ কোনো ক্ষতি নকৰাৰ সম্পূৰ্ণ প্ৰচেষ্টা চলাব বুলি প্ৰতিশ্ৰুতি দিছে। মথাউৰিৰ ঢালত নল-ইকৰা ৰোপণৰ দৰে জৈৱ- অভিযান্ত্ৰিক কৌশলকে ধৰি প্ৰকৃতিভিত্তিক সমাধান (এন বি এছ) ৰূপায়ণৰ

জৰিয়তে জৈৱ-বৈচিত্ৰ্যৰ ওপৰত কম প্ৰভাৱ পৰাটো নিশ্চিত কৰা হ'ব। অঞ্চলটোৰ বন্যপ্ৰাণীৰ বিপদ পৰিচালন ব্যৱস্থাৰ ৰূপৰেখা দাঙি ধৰিবলৈ এক বিস্তৃত জৈৱ-বৈচিত্ৰ্য কাৰ্য্য পৰিকল্পনা (বিএপি) প্ৰস্তুত কৰা হৈছে। ইয়াৰ উপৰিও প্ৰকল্প ৰূপায়ণৰ সময়ছোৱাত পি আই এছ চিয়ে সমগ্ৰ প্ৰকল্প এলেকাটোৰ বাবে (চাৰিটা উপ-প্ৰকল্প এলেকা সামৰি) বিশদ জৈৱ-বৈচিত্ৰ্য আৰু পৰিৱেশ বিজ্ঞান জৰীপ তথা মূল্যায়ন কৰাৰ প্ৰস্তাৱ দাখিল কৰিছে। জৰীপৰ পৰা সংগ্ৰহ কৰা তথ্যই গংগা নদীৰ শিহুৰ সংখ্যাৰ তথ্যক আৰু অধিক শক্তিশালী ৰূপত তুলি ধৰিব। পি আই এছ চি আৰু পি এম ইউয়ে পৰৱৰ্তী সময়ত আই ই ই তথ্য উন্নীতকৰণ কৰিবলৈ বি এ পিৰ ফলাফল আৰু যিকোনো সংশোধন অন্তৰ্ভুক্ত কৰিব লাগিব আৰু প্ৰকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈএ ডি বিক দাখিল কৰিব লাগিব।

ড. অৱশ্যে এই পৰ্যায়ত এই প্ৰজাতিবোৰৰ বাসস্থানৰ কোনো ধৰণৰ ক্ষতিসাধন হোৱাৰ আশা কৰা হোৱা নাই। প্ৰকল্প এলেকাত নিৰ্মাণকাৰ্য্যৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা পৰিৱেশৰ প্ৰতি সংবেদনশীল আন কোনো সম্পদ চিনাক্ত কৰা হোৱা নাই। লগতে নিৰ্মাণকাৰ্য্যৰফলত সৃষ্টি হোৱা আৱৰ্জনা যাতে পানীত প্ৰৱেশ নকৰে আৰু নলাবোৰত বাধাৰ সৃষ্টি নহয় তাৰ বাবেও ঠিকাদাৰসকলে প্ৰচেষ্টা চলাব লাগিব। জৰুৰীকালীন বান সুৰক্ষা ব্যৱস্থা হিচাপে ডব্লিউ আৰ ডিয়ে ব্যৱহাৰ কৰা জিঅ'বেগ আৰু অন্যান্য সামগ্ৰীসমূহ সঠিকভাৱে নিষ্কাষণ কৰিব লাগিব। নদীকাষৰীয়া অঞ্চলৰ নিৰ্মাণকাৰ্য্যত মূলতঃ স্থানীয় শ্ৰমিকসকলে কৰা সৰু সৰু মাটিৰ কাম জড়িত হৈ থাকে। গাঁৱৰ বাহিৰত নিৰ্মাণ শিবিৰ স্থাপন কৰা হ'বআৰু বৰ্তমান জীৱিত গছ-গছনিৰ ওপৰত নূন্যতম ব্যাঘাত জন্মাবলৈ প্ৰচেষ্টা চলোৱা হ'ব। ইয়াৰোপৰি, নিৰ্দিষ্ট মৎস্য প্ৰজনন স্থানত যাতে মৎস্য প্ৰজননৰ সময় (এপ্ৰিল-আগষ্ট) বিঘ্নিত নহয়, তাৰ বাবেও সাৱধানতা অৱলম্বন কৰা হ'ব।

ঢ. নিৰ্মাণ পৰ্যায়ত মথাউৰিৰ কাষে কাষে বহু গছ কটাৰ সম্ভাৱনা থাকে। যদি ১:১০ হাৰত ক্ষতিপূৰণমূলক বনানীকৰণ (প্ৰতিজোপা গছ কটাৰ বিপৰীতে ১০টা গছপুলি ৰোপণ) ফলপ্ৰসূভাৱে কাৰ্যকৰী কৰা হয় আৰু জীয়াই থকাৰ হাৰ নিৰীক্ষণ কৰা হয়, তেন্তে ফলাফল ইতিবাচক হ'ব। ক্ষতিপূৰণমূলক বনানীকৰণৰ খৰচ হৈছে পৰিৱেশ ব্যৱস্থাপনা পৰিকল্পনা (ইএমপি)ৰ অংশ। প্ৰকল্পৰ কাৰ্য্যকলাপে নিৰ্মাণ পৰ্যায়ত অস্থায়ী পৰিৱেশ সংক্ৰান্তীয় প্ৰভাৱৰ সৃষ্টি কৰিব পাৰে যদিও এইবোৰ পুনৰ সলনি কৰিব পৰা যাব। ই এম পি আৰু নিৰীক্ষণ পৰিকল্পনাকে ধৰি অধ্যায় ৬ (প্ৰত্যাশিত পৰিৱেশ প্ৰভাৱ আৰু প্ৰশমন ব্যৱস্থা)ত নিৰ্ধাৰিত প্ৰশমন ব্যৱস্থাসমূহ ৰূপায়ণ কৰিলে সাময়িক প্ৰভাৱ কম হ'ব।

ণ. খহনীয়া প্ৰতিৰোধী আৰু বান সুৰক্ষা প্ৰকল্পৰ লগতে নতুন মথাউৰি নিৰ্মাণত ভূমি অধিগ্ৰহণ আৰু পুনৰ সংস্থাপনৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ইয়াৰ লগত আইনী ভূমিৰ মালিকীস্বত্ব থকা ব্যক্তি আৰু বেদখলকাৰী উভয়ৰে উদ্বেগ সমাধান কৰা বিষয়টো জড়িত হৈ আছে। উপ-প্ৰকল্পৰ সমান্তৰালভাৱে প্ৰস্তুত কৰা পুনৰ্সংস্থাপন পৰিকল্পনা (আৰপি)ৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা পৰিয়ালসমূহৰ সবিশেষ আৰু এ ডি বিএছ পি এছ ২০০৯, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক আইন অনুসৰি প্ৰযোজ্যভাৱে ক্ষতিগ্ৰস্ত ব্যক্তিসকলৰ ক্ষতিপূৰণ সামৰি লোৱা হ'ব।

ত. স্থানীয়ভাৱে অনুষ্ঠিত কৰা আলোচনা সভা আৰু গাঁও পৰ্যায়ত ৰাজহুৱা পৰামৰ্শমূলক কৰ্মশালাৰ জৰিয়তে অংশীদাৰসকলক আই ই ইৰ বিকাশৰ সৈতে জড়িত কৰা হয় আৰু তাৰ পিছত প্ৰকাশ কৰা মতামতসমূহ আই ই ইত তথা প্ৰকল্পৰ পৰিকল্পনা আৰু বিকাশত অন্তৰ্ভুক্ত কৰা হয়। স্থানীয়ভাৱে কৰা ৰাজহুৱা আলোচনাৰ উপৰিও অনুষংগিক অংশীদাৰসকলৰ৫ বৈঠক অনুষ্ঠিত কৰা হয়। আই ই ই ৰাজহুৱা স্থানত উপলব্ধ কৰাৰ লগতে এ ডি বি আৰু ফ্ৰেমা ৱেবছাইটৰ জৰিয়তেও বহুলভাৱে প্ৰকাশ কৰা হ'ব। অংশীদাৰসকল যাতে প্ৰকল্পটোৰ সৈতে সম্পূৰ্ণৰূপে জড়িত হৈ থাকে আৰু ইয়াৰ বিকাশ তথা ৰূপায়ণত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে তাৰ বাবে প্ৰকল্প ৰূপায়ণৰ সময়ত পৰামৰ্শ প্ৰক্ৰিয়া অব্যাহত ৰখা হ'ব আৰু সম্প্ৰসাৰিত কৰা হ'ব। যিকোনো ৰাজহুৱা অভিযোগৰ তৎকালীন সমাধান নিশ্চিত কৰিবলৈ আই ই ইৰ ভিতৰত এটা অভিযোগ নিৰাময় ব্যৱস্থা (জি আৰ এম) অন্তৰ্ভুক্ত কৰা হৈছে।

থ. ই এম পি ৰূপায়ণৰ বাবে প্ৰতিষ্ঠানগত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰকল্প ব্যৱস্থাপনা গোটে (পি এম ইউ) ই এম পি ৰূপায়ণ কৰাৰ লগতে সম্ভৱ হ'লে পৰিৱেশসম্পৰ্কীয় সমস্যাসমূহৰ সমাধানৰ বাবে সামগ্ৰিক দায়িত্ব গ্ৰহণ কৰিব। এগৰাকী পৰিৱেশ বিশেষজ্ঞই পৰিৱেশ সুৰক্ষাৰ ব্যৱস্থাসমূহ মানি চলাটো নিশ্চিত কৰিবলৈ পি এম ইউৰ সৈতে জড়িত হ'ব। পি এম ইউক প্ৰকল্প ৰূপায়ণ গোট (পি আই ইউ) হিচাপে ডব্লিউ আৰ ডি আৰু এ এ ডি বিয়ে সহায় কৰিব। পৰিৱেশ সুৰক্ষাৰ প্ৰয়োজনীয়তাসমূহ কাৰ্যকৰী কৰাৰ বাবে ডব্লিউ আৰ ডিৰ পি আই ইউক দুগৰাকী পৰিৱেশ বিষয়াই সহায় কৰিব। ইয়াৰোপৰি এটা নিৰীক্ষণ ব্যৱস্থাও গঢ়ি তোলা হৈছে। ঠিকাদাৰে এগৰাকী পৰিৱেশ, স্বাস্থ্য আৰু সুৰক্ষা বিষয়া/কেন্দ্ৰীয় ব্যক্তি নিযুক্তি দিব আৰু ই এম পি ৰূপায়ণৰ প্ৰতিবেদন মাহেকীয়া ভিত্তিত দাখিল কৰিব লাগিব। আনহাতে পি আই ইউয়েও নিয়মিতভাৱে ক্ষেত্ৰখননিৰীক্ষণ কৰিব। পি এম ইউক পি আই এছ চিৰ এটা দলে সহায় কৰিব, য'ত দলৰ সদস্য হিচাপে এজন পৰিৱেশ বিশেষজ্ঞকো অন্তৰ্ভুক্ত কৰা হ'ব। ই এম পি ৰূপায়ণৰ নিৰীক্ষণ আৰু পৰিৱেশৰ গুণাগুণৰ নিৰীক্ষণৰ বাৰ্ষিক প্ৰতিবেদন এ ডি বিক দাখিল কৰা হ'ব।

দ. প্ৰস্তাৱিত উপ-প্ৰকল্পটোৱে মাটিৰ খহনীয়া হ্ৰাস আৰু ভূমিৰ ক্ষতি বৃদ্ধিত বাধা দি উপযুক্ত সুবিধা প্ৰদান কৰিব। অনুমান অনুসৰি, ১০,৩০০ হেক্টৰ ভূমিৰ সমান্তৰালভাৱে প্ৰায় ৩,০০,০০০ লোক এই উপ-প্ৰকল্পৰ হস্তক্ষেপৰ দ্বাৰা উপকৃত হ'ব। বানপানীৰ পৰা সুৰক্ষা আৰু পলস হ্ৰাস পোৱাৰ বাবে এই প্ৰকল্পই জলাশয়, পুখুৰীৰ মীনপালন আৰু কৃষি

উৎপাদনশীলতাত ইতিবাচক প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে৷ এন বি এছ (নিদৰ্শক হিচাপে) প্ৰৱৰ্তনে ব্ৰহ্মপুত্ৰৰ সৈতে জড়িত কিছু জলাশয় সজীৱ কৰি তোলাৰ উপৰিও বান সুৰক্ষাৰ কাম আৰু মথাউৰি শক্তিশালী কৰাৰ ক্ষেত্ৰত লাভজনক হ'ব৷

ধ. প্ৰকল্পৰ কাৰ্য্যকলাপে স্থানীয় আৰ্থ-সামাজিক পৰিস্থিতিত ক্ৰমান্বয়ে প্ৰভাৱ পেলাবলৈ সক্ষম হ'ব: (ক) বাৰ্ষিক বানপানীৰ প্ৰভাৱ হ্ৰাস কৰা, (খ) কৃষি, মীন আদিৰ দ্বাৰা জীৱিকাৰ উৎস বৃদ্ধি কৰি দৰিদ্ৰতা হ্ৰাস কৰাত সহায় কৰা, (গ) এই প্ৰকল্পৰ লগতে অন্যান্য প্ৰকল্পত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰা, (ঘ) মহিলাৰ অংশগ্ৰহণ তথা সবলীকৰণআৰু(ঙ) জলবায়ু পৰিৱৰ্তনৰ নেতিবাচক প্ৰভাৱ হ্ৰাস কৰা। প্ৰকল্পটোৱে উপ-প্ৰকল্প এলেকাৰ বাসিন্দাসকলৰ জীৱনত সামগ্ৰিকভাৱে ইতিবাচক প্ৰভাৱ পেলাব৷

ন. সামগ্ৰিকভাৱে প্ৰস্তাৱিত প্ৰকল্পটোৰ সৈতে জড়িত কোনো উল্লেখযোগ্য নেতিবাচক পৰিৱেশ আৰু আৰ্থ-সামাজিক প্ৰভাৱ নাই যিবোৰক নগণ্য বা গ্ৰহণযোগ্য স্তৰলৈ লাঘৱ কৰিব নোৱাৰি৷ প্ৰকল্পটোৰ প্ৰতি স্থানীয় সমাজৰ সম্পূৰ্ণ গ্ৰহণযোগ্যতা আছে৷ সকলো প্ৰয়োজনীয় প্ৰশমন ব্যৱস্থা আৰু নিৰীক্ষণ ই এম পিত নথিভুক্ত কৰা হৈছে৷ আই ই ইৰ পৰ্যবেক্ষণ আৰু সিদ্ধান্তৰ ভিত্তিত ভাৰত চৰকাৰ আৰু এ ডি বিৰ পৰিৱেশ আৰু কাৰিকৰী মানদণ্ড তথা নীতিগত প্ৰয়োজনীয়তা অনুসৰি ৰূপাংকন কৰা প্ৰকল্পটো ৰূপায়ণৰ বাবে গ্ৰহণযোগ্য হিচাপে চিহ্নিত কৰিব পাৰি৷

১এডিবি। ২০১০। পৰিচালনা সমিতিলৈ অধ্যক্ষৰ প্ৰতিবেদন আৰু পৰামৰ্শ: বহুখণ্ডৰ বিত্তীয় সুবিধা- ভাৰত: অসম সংহত বান আৰু নদীৰ গৰা খহনীয়াৰ বিপদ ব্যৱস্থাপনা বিনিয়োগ কাৰ্যসূচী।মেনিলা।

২১৯৫০ চনত অসমত হোৱা বৰভূঁইকপৰ পিছৰে পৰা নদীখন যথেষ্ট বহল হৈ আহিছে, অসমত ইয়াৰ ৬৫০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গতিপথেৰে প্ৰায় ৬ কিলোমিটাৰৰ পৰা ৯ কিলোমিটাৰলৈ সম্প্ৰসাৰিত হৈছে। নদীখন বহল হোৱাৰ ফলত অসমৰ কৃষিযোগ্য অঞ্চলৰ প্ৰায় ৫.৫% খহনীয়াত জাহ গৈছে, যাৰ ফলত ৰাস্তা-ঘাট, ঘৰ-বাৰী, শস্য, বান প্ৰতিৰক্ষা ব্যৱস্থা ধ্বংস হৈছে। ১৯৫৪ চনৰ পৰা বৰ্তমানলৈকে প্ৰায় ৪,২৭,০০০ হেক্টৰ মাটি (অসমৰ মুঠ মাটিকালিৰ প্ৰায় ৭% ৰ সমতুল্য) বাৰ্ষিক গড় ৮,০০০ হেক্টৰ হাৰত খহনীয়াত জাহ গৈছে। ২০০০ চনৰ পৰা ২০১৮ চনৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ মূল প্ৰবাহৰ দাঁতি কাষৰীয়া ৯৩ টা স্থানত খহনীয়াৰ ফলত ৪০০ কিলোমিটাৰতকৈও অধিক মাটিৰ ক্ষতিসাধন হৈছে। তদুপৰি অসমৰ ৪০% অঞ্চল ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহৰ পৰা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে, যিটো ৰাষ্ট্ৰীয় বানপ্ৰৱণ অঞ্চলৰ ৯.৪%।

৩২০২৩ চনৰ আৰম্ভণিতে বিশ্ব বেংকৰ পুঁজিৰে চলি থকা অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা কাৰ্যসূচী (এআইআৰবিএমপি) (১০৮ মিলিয়ন ডলাৰৰ ঋণ) অনুমোদন হোৱাৰ সম্ভাৱনা আছে। এয়া হৈছে৫০০ মিলিয়ন ডলাৰৰ বহুপৰ্যায়ৰ প্ৰগ্ৰেমেটিক পদ্ধতিৰ প্ৰথম পৰ্যায়৷

৪ অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, ২০২২, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পৰিকল্পনা, ২০২২, খণ্ড ১ (পি ১৪)।

৫ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগকে ধৰি স্থানীয় সমাজ, বন আৰু বন্যপ্ৰাণী বিভাগ, মীন আৰু কৃষি বিভাগ, পি চি বি এ, কৃষি আৰু মীন বিভাগ, ব্ৰহ্মপুত্ৰ ব'ৰ্ড, অসম আভ্যন্তৰীণ জলপথ পৰিবহণ উন্নয়ন সমিতি (এ আই ডব্লিউ টি ডি এছ), অসম গ্ৰাম্য আন্তঃগাঁথনি আৰু কৃষি সেৱা (এ আৰ আই এ এছ) সমাজ, অসম কৃষি ব্যৱসায় আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প (এ পি এ আৰ টি), বন আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ সমিতিৰ অসম প্ৰকল্প (এ পি এফ বি চি এছ), বিভিন্ন বেচৰকাৰী সংস্থা আৰু চি বি অ' আৰু ৰূপায়ণ আৰু কাৰ্যকৰী সংস্থা (ফ্ৰেমা, ডব্লিউ আৰ ডি, এ এ ডি বি) ইত্যাদি৷